**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-11-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ভাৰতীয় সংবিধানক জীৱন্ত আৰু প্ৰগতিশীল নথি বুলি অভিহিত কৰিছে আৰু ইয়াৰ জৰিয়তে দেশে সামাজিক ন্যায় আৰু সৰ্বাত্মক উন্নয়নৰ লক্ষ্যত উপনীত হোৱা বুলি প্ৰকাশ কৰিছে।

২। ভাৰতৰ ধৰ্ম নিৰপেক্ষতা পশ্চিমীয়া ধাৰণা নহয়, বৰঞ্চ ৫ হাজাৰ বছৰৰ সভ্যতা আৰু সংস্কৃতিৰ ফল বুলি সংবিধান দিৱসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰিছে।

৩। কেন্দ্ৰীয় চৰকাৰে দুৰ্যোগ প্ৰশমন আৰু ১৫ খন ৰাজ্যৰ সমৰ্থ বৃদ্ধি প্ৰকল্পৰ বাবে এহেজাৰ ১১৫ কোটিৰো অধিক টকাত অনুমোদন জনাইছে।

৪। মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী একনাথ সিন্দেই পদত্যাগ কৰিছে।

আৰু

৫। দেশজুৰি ৰাষ্ট্ৰীয় দুগ্ধ দিৱস পালন কৰা হৈছে।

০০০০০০০

সমগ্ৰ দেশতে আজি ৰাষ্ট্ৰীয় সংবিধান দিৱস উদযাপন কৰা হৈছে। ভাৰতৰ সংবিধান গৃহীত হোৱাৰ ৭৫ সংখ্যক বছৰ উপলক্ষে কেন্দ্ৰীয় চৰকাৰে আজিৰে পৰা বছৰজোৰা উদযাপনৰ কথা ঘোষণা কৰিছে। সংবিধান দিৱস উপলক্ষে আজি নতুন দিল্লীৰ সংবিধান সদনৰ কেন্দ্ৰীয় প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত অংশ লৈ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ভাৰতীয় সংবিধানক জীৱন্ত আৰু প্ৰগতিশীল নথি বুলি অভিহিত কৰিছে আৰু ইয়াৰ জৰিয়তে দেশে সামাজিক ন্যায় আৰু সৰ্বাত্মক উন্নয়নৰ লক্ষ্যত উপনীত হোৱা বুলি প্ৰকাশ কৰে। তেওঁ কয়, যে চৰকাৰে সমাজৰ সকলো শ্ৰেণী, বিশেষকৈ দুৰ্বল শ্ৰেণীৰ কল্যাণৰ বাবে শেহতীয়াকৈ ভালেমান ব্যৱস্থা গ্ৰহণ কৰিছে। তেওঁ লগতে কয়, যে দুখীয়া জনসাধাৰণে নিজা ঘৰ লাভ কৰিছে আৰু দেশত বিশ্ব মানৰ আন্তঃগাঁথনি বিকশাই তোলাৰ কাম চলি আছে। লোকসভা আৰু বিধানসভাত মহিলাৰ বাবে আসন সংৰক্ষণ সম্পৰ্কীয় নাৰী শক্তি বন্দনা অধিনিয়ম গৃহীত হোৱাৰ প্ৰশংসা কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে এই অধিনিয়মখনে মহিলা সৱলীকৰণৰ এটা নতুন যুগৰ সূচনা কৰিছে।

অনুষ্ঠানত অংশগ্ৰহণ কৰি উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কয় যে এই গুৰুত্বপূৰ্ণ দিনটোৱে দেশে সংবিধান গ্ৰহণৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱাৰ ঐতিহাসিক উদযাপনৰ কথাকে সূচায়। তেওঁ কয়, যে ভাৰতে উল্লেখনীয় অৰ্থনৈতিক বিকাশ, শক্তিশালী আন্তঃগাঁথনি আৰু ডিজিটেল ব্যৱস্থাৰ ব্যাপক প্ৰসাৰৰ সৈতে অগ্ৰসৰ হৈছে আৰু এই সকলোবোৰ প্ৰচেষ্টাই আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতি লাভ কৰিছে। এই সাফল্য ভাৰতীয় গণতন্ত্ৰক ফলপ্ৰসূভাৱে আগবঢ়াই লৈ যোৱা সংবিধানৰ প্ৰমাণ বুলি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে। সংবিধান দিৱস সংবিধানৰ নিহিত আদৰ্শ আৰু নীতিসমূহৰ প্ৰতি সংকল্প প্ৰকাশ কৰাৰ উপলক্ষ্য বুলি শ্ৰী ধনখড়ে কয়।

এই উপলক্ষে লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কয় যে ভাৰতীয় সংবিধান দেশৰ জনসাধাৰণৰ বছৰ বছৰ জোৰা তপস্যা, ত্যাগ, প্ৰতিভা আৰু শক্তিৰ ফল। তেওঁ কয়, যে দেশৰ ভৌগোলিক আৰু সামাজিক

বৈচিত্ৰ একতাৰ দোলেৰে বন্ধাৰ প্ৰায় তিনি বছৰজোৰা কঠোৰ পৰিশ্ৰমৰ অন্তত সংবিধানখন প্ৰস্তুত কৰা হৈছিল। সংবিধানখনে দেশত সামাজিক আৰু অৰ্থনৈতিক পৰিৱৰ্তনৰ চালিকা শক্তিৰূপে কাম কৰি আহিছে বুলি শ্ৰী বিৰলাই প্ৰকাশ কৰে। তেওঁ লগতে সাংসদসকলক নিজ নিজ এলেকাৰ জনসাধাৰণৰ মাজত সংবিধান গ্ৰহণৰ ৭৫ বছৰ উদযাপন কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত ৰাষ্ট্ৰপতিয়ে সংবিধান গ্ৰহণৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱাৰ নামত উৎসৰ্গিত এটা স্মাৰক মুদ্ৰা আৰু ডাকটিকট উন্মোচন কৰে। এই উপলক্ষে Making of the Constitution of India: A Glimpse আৰু Making of the Constitution of India and its Glorious Journey নামৰ দুখন গ্ৰন্থও উন্মোচন কৰা হয়। সংবিধানৰ সংস্কৃত আৰু মৈথেলি সংস্কৰণো মুকলি কৰা হয়। এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী, লোকসভা আৰু ৰাজ্যসভাত বিৰোধী পক্ষৰ নেতা, সাংসদ আৰু বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

সংবিধান গ্ৰহণৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আজি দেশজুৰি আৰম্ভ হোৱা উদযাপন কাৰ্যসূচী অহা বছৰৰ ২৬ নৱেম্বৰ পৰ্যন্ত চলি থাকিব। ১৯৪৯ চনৰ ২৬ নৱেম্বৰত ভাৰতৰ সংবিধান গৃহীত হৈছিল আৰু ১৯৫০ চনৰ ২৬ জানুৱাৰী তাৰিখে সংবিধান কাৰ্যকৰী কৰা হৈছিল।

ooooooooo

দেশৰ আন আন প্ৰান্তৰ লগতে ৰাজ্যতো সংবিধান দিৱস উপলক্ষে বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। গুৱাহাটী মহানগৰীৰ জনতা ভৱনৰ লোকসেৱা ভৱনত সংসদীয় পৰিক্ৰমা বিভাগৰ উদ্যোগত সংবিধান দিৱস উদযাপন কৰা হয়। অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে কেইবাগৰাকীও মন্ত্ৰী তথা বিধায়ক উপস্থিত থাকে। অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ভাৰতৰ ধৰ্ম নিৰপেক্ষতা পশ্চিমীয়া ধাৰণা নহয়, বৰঞ্চ ৫ হাজাৰ বছৰৰ সভ্যতা আৰু সংস্কৃতিৰ ফল বুলি মন্তব্য কৰে।

ক্ৰীড়া আৰু যুৱ কল্যাণ সঞ্চালকালয়ৰ উদ্যোগত মহানগৰীৰ ফটাশিল আমবাৰীৰ জি এম চি নিউ কলনী, ডঃ বি আৰ আম্বেদকাৰ পথত আজি পুৱা অনুষ্ঠিত সংবিধান দিৱসৰ কাৰ্যসূচীত ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোচাই পদযাত্ৰাত অংশগ্ৰহণ কৰে।

ইপিনে, দেশৰ আন আন প্ৰান্তৰ লগতে ৰাজ্যতো সংবিধান দিৱস উপলক্ষে বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ক্ৰীড়া আৰু যুৱ কল্যাণ সঞ্চালকালয়ৰ উদ্যোগত মহানগৰীৰ ফটাশিল আমবাৰীৰ জি এম চি নিউ কলনী, ডঃ বি আৰ আম্বেদকাৰ পথত আজি পুৱা অনুষ্ঠিত সংবিধান দিৱসৰ কাৰ্যসূচীত ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোচাই পদযাত্ৰাত অংশগ্ৰহণ কৰে।

ইপিনে সংবিধান দিৱসৰ লগত সংগতি ৰাখি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰ্যালয়ৰ অধীনস্থ ছেন্ট্ৰেল ব্যুৰ' অৱ কমিউনিকেচনছ চমুকৈ চি বি চি গুৱাহাটীৰ উদ্যোগত আজি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হয়। এই অনুষ্ঠানৰ অংশ হিচাপে মহিলাৰ আইনী অধিকাৰ, শিশু শ্ৰমিক আইন, বাল্য বিবাহ প্ৰতিৰোধ আদিকে ধৰি আইনী বিষয়সমূহৰ সন্দৰ্ভত সাধাৰণ জনতাৰ মাজত সজাগতা সৃষ্টিৰ অৰ্থে কামৰূপ জিলাৰ ভিন্ন প্ৰান্তত আইনী সাহায্য শিবিৰো স্থাপন কৰা হৈছে। গুৱাহাটী উচ্চ ন্যায়ালয়তো আজি সংবিধান দিৱস অনুষ্ঠিত হয়। সংবিধান দিৱস উপলক্ষে আজি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগতো সমূহ বিষয়া-কৰ্মচাৰীয়ে সংবিধানৰ শপত বাক্য পাঠ কৰে।

oooooo

উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্নাই সক্ৰিয় গণতন্ত্ৰ আৰু ভূ-ৰাজনৈতিক নেতা হিচাপে দেশৰ উত্থান ঘটা বুলি আৰু এই ৰূপান্তৰত সংবিধানে সহায় কৰা বুলি মন্তব্য কৰিছে। উচ্চতম ন্যায়ালয়ৰ

উকীল সন্থাই আয়োজন কৰা সংবিধান দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্য ন্যায়াধীশগৰাকীয়ে আজি এইদৰে কয়। তেওঁ লগতে স্বাধীনতা লাভৰ পাছত ভাৰতীয় গণতন্ত্ৰত সংবিধানৰ ভূমিকাৰ বিশেষ গুৰুত্ব আৰোপ কৰে। মুখ্য ন্যায়াধীশগৰাকীয়ে সংবিধান দিৱসৰ শুভেচ্ছাও জ্ঞাপন কৰে।

000000000

মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী একনাথ সিন্দেই পদত্যাগ কৰিছে। ৰাজ্যপাল চি পি ৰাধাকৃষ্ণনে সিন্দেক তত্বাৱধায়ক মুখ্যমন্ত্ৰী হিচাপে নিযুক্তি দিছে। একনাথ সিন্দেই উপ-মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছ্ আৰু অজিত পাৱাৰৰ সৈতে আজি ৰাজ্যপালক সাক্ষাৎ কৰে। মহাৰাষ্ট্ৰত বৰ্তমান বিধানসভাৰ কাৰ্যকাল আজি সামৰণি পৰিছে।

বিজেপি, শিৱসেনাৰ সিন্দে গোট আৰু এন চি পিৰ অজিত পাৱাৰ গোটক লৈ গঠিত মহাযুটি মৰ্চাই ৰাজ্যখনৰ সদ্যসমাপ্ত বিধানসভা নিৰ্বাচনত ২৮৮ খন আসনৰ ভিতৰত ২৩০ খন আসন লাভ কৰিছে। ১৩২ খন আসন হস্তগত কৰি বিজেপি সৰ্ববৃহৎ ৰাজনৈতিক দলৰূপে পৰিগণিত হৈছে। শিৱসেনাৰ সিন্দে গোটে ৫৭ খন আৰু এন চি পিৰ অজিত পাৱাৰ গোটে ৪১ খন আসন লাভ কৰিছে।

000000000

আজি ৰাষ্ট্ৰীয় দুগ্ধ দিৱস। ভাৰতৰ শ্বেত বিপ্লৱৰ জনক হিচাপে পৰিচিত ডং ভাৰ্গিজ কুৰিয়েনৰ জয়ন্তীৰ লগত সংগতি ৰাখি প্ৰতিবছৰে ২৬ নৱেম্বৰত এই দিৱস পালন কৰা হয়। দুগ্ধ দিৱস উপলক্ষে নতুন দিল্লীত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত ভাৰতীয় অৰ্থনীতি আৰু পুষ্টি সুৰক্ষাৰ ক্ষেত্ৰত দুগ্ধ খণ্ডৰ গুৰুত্বপূৰ্ণ অৱদানসমূহৰ সন্দৰ্ভত আলোচনা কৰা হ'ব। এই অনুষ্ঠানতে পশুপালন আৰু দুগ্ধ খণ্ডৰ ৰাষ্ট্ৰীয় গোপাল ৰত্ন বঁটাও প্ৰদান কৰা হ'ব।

ৰাষ্ট্ৰীয় দুগ্ধ দিৱস উপলক্ষে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

000000000

কেন্দ্ৰীয় চৰকাৰে দুৰ্যোগ প্ৰশমন আৰু ১৫ খন ৰাজ্যৰ সামৰ্থ বৃদ্ধি প্ৰকল্পৰ বাবে এহেজাৰ ১১৫ কোটিৰো অধিক টকাত অনুমোদন জনাইছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাৰ এখন উচ্চ পৰ্যায়ৰ সমিতিয়ে এই পুঁজিৰ অনুমোদন দিছে। সমিতিখনে উত্তৰ-পূৰ্বাঞ্চলৰ ৮ খন ৰাজ্যৰ বাবে ৩৭৮ কোটি, উত্তৰাখণ্ড আৰু হিমাচল প্ৰদেশৰ বাবে ১৩৯ কোটি টকাকৈ, মহাৰাষ্ট্ৰৰ বাবে ১০০ কোটি, কৰ্ণাটক আৰু কেৰালাৰ বাবে ৭২ কোটি টকাকৈ আৰু তামিলনাডু আৰু পশ্চিমবংগৰ বাবে ৫০ কোটি টকাকৈ অনুমোদন দিছে। উচ্চ পৰ্যায়ৰ সমিতিখনে লগতে সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত ১১৫ কোটিৰো অধিক টকা ব্যয়েৰে প্ৰশিক্ষণ আৰু সামৰ্থ বৃদ্ধিৰ অন্য এটা প্ৰকল্পতো অনুমোদন জনাইছে। গৃহ মন্ত্ৰালয়ে কৈছে, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দুৰ্যোগৰ মাৰ সহিব পৰা ভাৰতবৰ্ষৰ সপোন বাস্তৱায়িত কৰাৰ উদ্দেশ্যে দেশত ফলপ্ৰসূ দুৰ্যোগ ব্যৱস্থাপনা সুনিশ্চিত কৰাৰ বাবে মন্ত্ৰালয়ে ভালেমান পদক্ষেপ লৈছে। দেশৰ দুৰ্যোগৰ বিপদাশংকা হ্ৰাস কৰাৰ ব্যৱস্থা সুদৃঢ় কৰি প্ৰাকৃতিক বিপৰ্যয়ৰ সময়ত ধন-জনৰ ব্যাপক হানি ৰোধ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে চলিত বৰ্ষত ৰাজ্যসমূহলৈ ইতিমধ্যে ২১ হাজাৰ ৪৭৬ কোটিৰো অধিক টকা মোকলাই দিয়া হৈছে বুলি জানিবলৈ দিছে।

000000000

সমাপ্ত